# খণ্ড-২ গোট-৪ঃ তান্তীকুচিত ৰাজ্যচৰ্চা
# (A non-fictional writing from Lakshminath Bezbaroa)



## গাঁথনি


২.৪.১ পাতনি
- ২.৪.১.১ পৰিচয়
- ২.৪.১.২ উদ্দেশ্য

২.৪.২ লেখকৰ পৰিচয়
- ২.৪.২.১ বেজবৰুৱা মানুহজন
- ২.৪.২.২ বেজবৰুৱাৰ শংকৰদেৱৰ চৰ্চা

২.৪.৩ "তান্তীকুচি ৰাজ্যচৰ্চা" পাঠটোৰ আলোচনা
- ২.৪.৩.১ পাঠটোৰ বিষয়বস্তু
- ২.৪.৩.২ আলোচনা

২.৪.৪ শব্দটোকা

২.৪.৫ অনুশীলন
- ২.৪.৫.১ বোধজ্ঞান অনুশীলন
- ২.৪.৫.২ বৈয়াকৰণিক অনুশীলন
- ২.৪.৫.৩ পঠন অনুশীলন
- ২.৪.৫.৪ লিখন অনুশীলন

২.৪.৬ উত্তৰ সংকেত

২.৪.৭ শব্দজ্ঞান

২.৪.৮ অতিৰিক্ত পঠন উপদেশ


## ২.৪.১ পাতনি

### ২.৪.১.১ পৰিচয়

ঊনবিংশ শতিকাত যিকেইগৰাকী ব্যক্তিৰ ঐকান্তিক প্ৰচেষ্টাৰ বাবে অসমীয়া ভাষা প্ৰাণ সঞ্জীৱনী সুধাৰে নতুনকৈ প্ৰাণৱন্ত হৈ উঠিছিল আৰু বিংশ শতিকাৰ আৰম্ভণিতে যিকেইগৰাকী ব্যক্তিৰ আশাসুধীয়া প্ৰয়াসত অসমীয়া ভাষা-সাহিত্যই ন ৰূপেৰে সাজি কাছি সমৃদ্ধ হৈ জগত সভালৈ বাট বুলিবলৈ আৰম্ভ কৰিছিল, সেইকেইগৰাকী ব্যক্তিৰ ভিতৰত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা আছিল অন্যতম অগ্ৰণী ব্যক্তি। ১৮৮৯ চনত প্ৰকাশিত *জোনাকী* আলোচনী আছিল এইসকল ভাষা-সাহিত্যৰ কাণ্ডাৰীৰ ভাষা-সাহিত্য আৰু জ্ঞান চৰ্চাৰ ঘাই মঞ্চ স্বৰূপ। এই আলোচনীক কেন্দ্ৰ কৰি গঢ় লোৱা 'জোনাকী যুগ'ত অসমীয়া ভাষাক আধুনিক ভাব-চিন্তা-কল্পনাৰ উপযোগী কৰি ভাষাটোৰ নিজস্ব জতুৱা ৰূপটোক মনোজ্ঞ ৰূপ সজাই তোলাত বেজবৰুৱাৰ অৱদান অপৰিসীম। তেখেতৰ বুৰঞ্জীমূলক নাটকৰ ভাষাত যিদৰে অসমীয়া জাতীয় ঐতিহ্য জিলিকি উঠে, একেদৰে শঙ্কৰদেৱৰ জীৱনীত আমাৰ বৈষ্ণৱ পৰম্পৰাৰ ৰং-ৰূপ-গোন্ধে তল্‌মল্ কৰি থাকে। কৃপাবৰী ৰচনাত চোৰাত পাতে ডকাৰ দৰে শাণিত ব্যঙ্গই যিদৰে যাক ডাকিব লাগে ডাকে, একেদৰে নিৰ্মল হাস্যৰসে নিচলা অসমী আইৰ সন্তানবোৰৰ ওঁঠত হাঁহিৰ খলকনি তোলে। এই দক্ষতাৰ মূলতে বেজবৰুৱাৰ ভাষা। সেয়ে বাণীকান্ত কাকতিয়ে কৈছে যে বেজবৰুৱাৰ ভাষালৈ মন নিদিয়াকৈ কোনেও অসমীয়া ভাষা শিকিব নোৱাৰে। অসমীয়া ভাষাক বন্ধ পুখুৰী কৰি ৰখাত বেজবৰুৱাৰ আপত্তি আছিল। নতুন দিনৰ ভাব-চিন্তা প্ৰকাশ কৰিবলৈ ভাষাক মুকলি কৰি দিব লাগিব; প্ৰয়োজনত নতুন শব্দ সাজিব লাগিব বা আন ভাষাৰ পৰাও ল'বলগীয়া হ'ব। বেজবৰুৱাৰ এক মহত্তম বৰঙণি আছিল শংকৰদেৱৰ বিষয়ে আধুনিক চিন্তাৰ বাট মুকলি কৰাটো। একপ্ৰকাৰে ক'বলৈ গ'লে বেজবৰুৱায়ে শংকৰদেৱক আধুনিক দৃষ্টিৰে পুনৰাৱিস্কাৰ কৰি আমাৰ মাজত এই যুগস্ৰষ্টা

অসমীয়াগৰাকীক নতুনকৈ প্ৰতিষ্ঠা কৰি অসমীয়াৰ দৃষ্টিক এটা নতুন গতি প্ৰদান কৰিছিল। বেজবৰুৱাই কাটি দিয়া বাটেৰেই পৰৱৰ্তী সময়ত শংকৰদেৱৰ মহত্ত্ব আৰু গুৰুত্বৰ ব্যাপক চৰ্চা হ'বলৈ লয়। সেয়ে আপোনালোকৰ পাঠ্যক্ৰমত এটা পাঠ বেজবৰুৱাৰ শংকৰদেৱ চৰ্চাৰ আৰ্হি হিচাপে পঢ়িবলৈ দিয়া হৈছে। ইয়াৰ মাজেদি আপোনালোকে বেজবৰুৱাৰ শংকৰদেৱ চৰ্চাৰ গভীৰ জগতখনত প্ৰৱেশ কৰিবলৈ অনুপ্ৰাণিত হ'ব। লগতে বেজবৰুৱাৰ আকৰ্ষণীয় গদ্য আৰু অসমীয়া ভাষা ব্যৱহাৰৰ ধাৰণা কৰিব পৰা পাৰিব।

**২.৪.১.২ উদ্দেশ্য**

- বেজবৰুৱাৰ শংকৰদেৱ চৰ্চাৰ বৈশিষ্ট্য আৰু গুৰুত্ব সম্পৰ্কে এটা ধাৰণা দিয়া।
- শংকৰদেৱৰ জীৱনীকাৰ বেজবৰুৱাৰ লেখাৰ জৰিয়তে শংকৰদেৱৰ জীৱনৰ এছোৱা সময়ৰ বিষয়ে জানিবলৈ দিয়া।
- বেজবৰুৱাৰ গদ্যভাষাৰ বিষয়ে এটা আভাষ দিয়া।

## ২.৪.২ লেখকৰ পৰিচয়

### ২.৪.২.১ বেজবৰুৱা মানুহজন

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম হয় ১৮৬৪ চনত নগাঁৱৰ আঁহতগুৰিত। দেউতাক দীননাথ বেজবৰুৱা আছিল আহোম ৰজাই নিযুক্তি দিয়া বেজ (আয়ুৰ্বেদিক চিকিৎসক)। ব্ৰিটিছ শাসন কালত তেওঁ প্ৰথমে দেৱানী চিৰস্তাদাৰ নিযুক্ত হৈ পাছলৈ মুঞ্চিফ পদলৈ উত্তৰণ ঘটে। চৰকাৰী কামত এঠাইৰ পৰা আন ঠাইলৈ তেওঁ সপৰিয়ালে ঘূৰি ফুৰিবলগীয়া হৈছিল আৰু এনেকৈ ঘূৰি ফুৰোঁতে আঁহতগুৰি নামে ঠাইত নাৱতে লক্ষ্মীনাথৰ জন্ম হৈছিল। সেয়ে বেজবৰুৱাই আত্মজীৱনী 'মোৰ জীৱন সোঁৱৰণ'ত নিজৰ জন্মকথা ক'বলৈ গৈ ভূমিষ্ঠ নহৈ নৌকাষ্ঠ হোৱা বুলি কৈছে।

কমলাবাৰী সত্ৰৰ নিষ্ঠাৱান শিষ্য দীননাথ বেজবৰুৱা আছিল শংকৰী পৰম্পৰাৰ এজন কৰ্তৃত্বশীল ব্যক্তি। সেয়ে দীননাথ বেজবৰুৱাৰ তত্ত্বাৱধানত শৈশৱতে লক্ষ্মীনাথ বেজবৰুৱাই মহাপুৰুষীয়া পৰম্পৰাৰ উপাসনা ৰীতি, নাট-ভাওনা, বৰগীত, খোল, নাম-প্ৰসংগ, পুথিৰ পদ-ঘোষা আদিৰ লগত নিবিড় সম্পৰ্ক গঢ়ি তুলিছিল। ইয়েই পৰৱৰ্তী সময়ৰ অসমীয়া বৈষ্ণৱ পৰম্পৰাৰ আধুনিক প্ৰতিষ্ঠাতা বেজবৰুৱাজনৰ পৃষ্ঠভূমি গঢ়ি তুলিছিল। তদুপৰি ভৰপূৰ পৰিয়াল এটাত ডাঙৰ-দীঘল হৈ অসমৰ গ্ৰাম্য জীৱন প্ৰৱাহক নিবিড়ভাৱে আত্মস্থ কৰিছিল। অসমৰ বিনন্দীয়া প্ৰকৃতি আৰু লোক-জীৱনৰ সজীৱতাৰ মাজত শৈশৱৰ সোণালী সময় অতিবাহিত কৰিবলৈ পোৱাৰ বাবে বেজবৰুৱাৰ চিন্তা-চেতনাত 'অ' মোৰ আপোনাৰ দেশ'ৰ সুৱীয়া আৱেগ চিৰস্থায়ী হৈ ৰৈ গৈছিল। সেয়ে আজীৱন কলিকতা, সম্বলপুৰ আদি ঠাইত প্ৰবাস খাটি থাকিও অসমৰ প্ৰতি গভীৰ আকৰ্ষণৰ অলপো হীন-ডেঢ়ি হোৱা নাছিল।

১৮৮৬ চনত কলিকতাত উচ্চ শিক্ষা ল'বলৈ যোৱাৰে পৰা বেজবৰুৱাৰ অভিজ্ঞতাৰ জগতখন বহল হৈ পৰিল। সেই সময়ত ভাৰতৰ সাংস্কৃতিক প্ৰাণকেন্দ্ৰ কলিকতা পাশ্চাত্যৰ পৰশ পোৱা আধুনিক শিক্ষাৰ পোহৰত তলমল্ কৰি আছিল। ভাৰতৰ আধুনিকতাৰ অগ্ৰদূত ৰাজা ৰামমোহন ৰায়, বিদ্যাসাগৰ, ডিৰজিঅ', দেৱেন্দ্ৰনাথ ঠাকুৰ আদিৰ সংস্কাৰ আন্দোলন, ব্ৰাহ্ম আন্দোলন আদিৰে যি বংগীয় নৱজাগৰণৰ সূচনা হৈছিল তাৰো প্ৰাণকেন্দ্ৰ আছিল কলিকতা। কলিকতাৰ বৌদ্ধিক আৰু সামাজিক-সাংস্কৃতিক পৰিৱেশত বেজবৰুৱা আৰু তেওঁৰ সমসাময়িক অন্যান্য অসমীয়া ছাত্ৰসকলৰ আধুনিক মনটো বিকশিত হৈ উঠিছিল।

এইখিনিতে মনত ৰাখিব লাগিব যে বেজবৰুৱাই স্কুলীয়া শিক্ষা গ্ৰহণৰ কালছোৱাত অসমৰ স্কুল-কাছাৰীত বাংলা ভাষাহে চলিছিল। ১৮৩৭ চনত ব্ৰিটিছ প্ৰশাসনে বাংলা ভাষাক অসমৰ স্কুল-কাছাৰী আৰু প্ৰশাসনৰ ভাষা কৰিছিল আৰু ১৮৭৩ চনলৈ এইমতেই চলি আছিল। সেই সময়ত অসমত পাশ্চাত্য আৰ্হিৰ আধুনিক শিক্ষাপ্ৰাপ্ত লোক প্ৰায় নাছিলেই। গতিকে প্ৰশাসনৰ কাম-কাজ চলাবলৈ বাঙালী মানুহ অনা হৈছিল। পুৰণিকলীয়া অসমৰ গ্ৰাম্য জীৱনত আধুনিক বা-বতাহ লগাই নাছিল। এনেবোৰ কাৰণত সকলোতে আগবঢ়া বাঙালী মানুহখিনিয়েই নতুনকৈ শিক্ষা লোৱা অসমীয়া নতুন চামৰ বাবে আৰ্হি হৈ পৰিছিল। বেজবৰুৱায়ো আত্মজীৱনীত লিখিছে— 'বঙ্গলা ভাষা, বঙ্গলা গান,

বঙ্গালীৰ নিচিনা চুলি-কটা, চুৰিয়া-চোলা পিন্ধা, মুঠতে বঙ্গালী ফেশ্যন আৰু অৰ্থাৎ যি কি নহওক সকলো বঙ্গালী আমাৰ অসমীয়াতকৈ যে শ্ৰেষ্ঠ, এই ৰোগে তেতিয়াৰ ডেকা তৰপৰ গাত ভালকৈয়ে ধৰিছিল।' এইবোৰ কথাই কলিকতাত পঢ়িবলৈ যোৱা বেজবৰুৱা আৰু আনসকলক দুখ দিছিল। সেয়ে তেওঁলোকে অসমীয়া ভাষা-কলা, সংস্কৃতি-সাহিত্যৰ উন্নতিৰ মাজেদি অসম দেশৰ উন্নতিৰ বাবে চেষ্টা কৰিবলৈ ধৰিলে আৰু সেই উদ্দেশ্যে ১৮৮৮ চনত প্ৰতিষ্ঠা কৰিলে 'অসমীয়া ভাষা উন্নতি সাধিনী সভা।' এই সভাৰ তত্বাৱধানতে ১৮৮৯ চনৰ পৰা প্ৰকাশ পালে অসমীয়া সাহিত্যৰ যুগস্ৰষ্টা আলোচনী 'জোনাকী'।

১৮৮৯ চনত 'জোনাকী' আলোচনী ওলোৱাৰ পৰা বেজবৰুৱাৰ মৃত্যু (১৯৩৮) পৰ্যন্ত এই কালছোৱাত 'জোনাকী'ৰ উপৰি 'উষা', 'বাঁহী', 'আৱাহন', 'মিলন' আদি কেইবাখনো আলোচনী প্ৰকাশ পাইছিল আৰু এই সকলোবোৰ আলোচনীৰ সৈতে বেজবৰুৱা প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে জড়িত আছিল। ১৯০৯ চনত প্ৰকাশিত 'বাঁহী' আলোচনীৰো সম্পাদক আছিল বেজবৰুৱা নিজে। কলিকতাত পঢ়া সামৰি প্ৰথমে ভোলানাথ বৰুৱাৰ লগত বিভিন্ন ব্যৱসায় কৰা বেজবৰুৱাই পাছলৈ নিজাকৈ ব্যৱসায় কৰিবলৈ লয়। কাঠৰ ব্যৱসায় কৰি বেজবৰুৱাই জীৱনৰ বহুসময় সম্বলপুৰৰ হাবিয়ে-জংঘলে কটাবলগীয়া হৈছিল। কিন্তু তাৰ মাজতো 'বাঁহী' সম্পাদনা কৰিছিল, বাঁহীৰ বেছিভাগ লেখা তেওঁ নিজেই লিখিছিল। অসমৰ পৰা ইমান দূৰৈত থাকি, নানা ব্যৱসায়িক ব্যস্ততাৰ মাজত, কাৰো পৰা প্ৰত্যক্ষ সহায় নোপোৱাকৈ আনকি 'বাঁহী'ৰ মূল্যটোও গ্ৰাহকৰ পৰা সঠিক সময়ত নোপোৱাকৈ বেজবৰুৱাই 'বাঁহী' উলিয়াই আছিল কেৱল অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ চিন্তাৰে।

বেজবৰুৱাই কৃপাবৰ বৰবৰুৱা ছদ্মনামেৰে 'জোনাকী', 'উষা' আৰু 'আৱাহন' আলোচনীত এলানি হাস্য-ব্যঙ্গ ৰচনা লিখিছিল। এইবোৰত অসমীয়া সমাজখনৰ বিভিন্ন চৰিত্ৰৰ ফোঁপোলা ভেম, ভণ্ডামি, পেট-কপটীয়া আচৰণ, কুসংস্কাৰ আদিৰ তীব্ৰ ব্যঙ্গাত্মক সমালোচনাৰ পৰা তৎকালীন ৰাজনৈতিক ঘটনাপ্ৰবাহৰো ৰসাল সমালোচনা আছে। কেতিয়াবা ধেমেলীয়া কথাৰে হাঁহিব নজনা অসমীয়া মানুহক হাঁহিবলৈ শিকাইছে। ১৯১৫ চনত প্ৰকাশ পোৱা 'চক্ৰধ্বজ সিংহ', 'জয়মতী কুঁৱৰী' আৰু 'বেলিমাৰ' নামৰ ঐতিহাসিক ঘটনাক লৈ ৰচনা কৰা উপন্যাসকেইখনৰ মাজত আমি প্ৰবল স্বদেশানুৰাগী বেজবৰুৱাৰ অমল সৃষ্টিশীলতা দেখা পাওঁ। বেজবৰুৱা আছিল অসমীয়া চুটিগল্পৰ জন্মদাতা। 'ভদৰী', 'কাশীবাসী', 'পাটমুগী', 'ধোঁৱাখোৱা' আদি কেইটামান গল্প অসমীয়া সাহিত্যৰ নজহা-নপমা সম্পদ। 'কদমকলি' বেজবৰুৱাৰ একমাত্ৰ কবিতাৰ পুথি। অসমীয়া সাধুকথা সংগ্ৰহৰো বাটকটীয়া বেজবৰুৱা। 'বুঢ়ী আইৰ সাধু' নপঢ়া অসমীয়া শিশু নোলাব নিশ্চয়। মুঠৰ ওপৰত, অসমীয়া সাহিত্যৰ এনে এটা শাখা নাই য'ত বেজবৰুৱাৰ অৱদান পোৱা নাযায়। ড° মহেশ্বৰ নেওগে সেয়ে লিখিছে— "তেওঁ এফালে যেনেকৈ ধৰ্ম, দৰ্শন, থলুৱা ৰাজনীতি আদিৰ চৰ্চাৰ যোগেদি আমাৰ চিন্তা-নেতা হৈছিল; আনফালে সেইদৰে অসমীয়া ভাষা আৰু সাহিত্যৰ শত্ৰু দমন কৰাৰ বেলিকা সকলোৱে তেওঁকে নেতাৰূপে পাইছিল। ভাষা বা আন সিদ্ধান্তৰ বিষয়ত তেওঁলৈকে সকলো সাহিত্যিকে অনুপ্ৰেৰণা আৰু অনুশাসনৰ বাবে মূৰ তুলি চাইছিল। যদি কোনোবাই তেওঁৰ অনুশাসন অমান্য কৰিবৰ যত্ন কৰিছিল, তেওঁৰ ওচৰত সেই অনুশাসন কিবা নহয় কিবা প্ৰকাৰে কঠোৰ হৈ বৰ্তিছিল। ১৮৮৯ ৰ পৰা ১৯৪০ চনলৈকে এই আধা শতিকা কালক সেই দেখি বেজবৰুৱাৰ যুগ নাম দিছোঁ।"

**আত্মমূল্যায়নঃ**

১। বেজবৰুৱাই অসমীয়া সংস্কৃতিৰ সংস্পৰ্শ শৈশৱতেই কিদৰে লাভ কৰিছিল লিখক।

.......................................................................................................

.......................................................................................................

২। অসমৰ বিদ্যালয়, আদালত আদিত কেতিয়াৰ পৰা কেতিয়ালৈ বাংলা ভাষা চলিছিল?

.......................................................................................................

.......................................................................................................

৩। এই অংশ পঢ়াৰ পাছত প্ৰাসংগিক গ্ৰন্থৰ সহায় লৈ বেজবৰুৱাৰ সাহিত্যকৰ্মৰ এখন তালিকা কৰক।

.......................................................................................................

.......................................................................................................

### ২.৪.২.২ বেজবৰুৱাৰ শংকৰদেৱ চৰ্চা

বেজবৰুৱাৰ ৰচনাৰ এক বুজন অংশ আগুৰি আছে বৈষ্ণৱধৰ্ম আৰু শঙ্কৰদেৱকেন্দ্ৰিক ৰচনাই। ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্ধত এফালে ঔপনিবেশিক আগ্ৰাসনৰ পৰিণতিত অসমীয়া ভাষাই নিজৰ স্থানৰ পৰা বিচ্যুত হোৱা পৰিস্থিতি আৰু আনফালে অসমীয়া মানুহৰ হীনমন্যতাই অসমীয়া জাতীয় জীৱনৰ আধুনিকতামুখী গতিক দুৰ্বল কৰি ৰাখিছিল। সেয়ে নব্যশিক্ষিত ডেকাদলে অসম আৰু অসমীয়াৰ প্ৰাচীন ঐতিহ্যৰ গৌৰৱময় কথাবোৰ আধুনিক দৃষ্টিৰে উত্থাপন কৰি অসমীয়া মানুহৰ জাতীয় চেতনাক জাগ্ৰত কৰিব বিচাৰিছিল। এনে প্ৰচেষ্টাৰ অংশ স্বৰূপেই বেজবৰুৱাই শঙ্কৰদেৱৰ চৰ্চাত মনোনিৱেশ কৰিছিল।



বেজবৰুৱাৰ শঙ্কৰদেৱ চৰ্চাৰ প্ৰধান দিশসমূহ হ'ল—

ক) শঙ্কৰদেৱ-মাধৱদেৱৰ জীৱনী ৰচনা।

খ) বৈষ্ণৱ সাহিত্যৰ তত্ত্ব-দৰ্শন আৰু ইতিহাসৰ আলোচনা।

গ) চৈতন্যপন্থী আৰু অসমৰে একাংশৰ দ্বাৰা শঙ্কৰদেৱক হেয় কৰা মনোভাৱৰ বিৰুদ্ধে প্ৰতিবাদী ৰচনা।

ঘ) সত্ৰৰ মাজেদি প্ৰবাহিত শঙ্কৰী পৰম্পৰাটোৰ বিকৃতিৰ প্ৰতি ব্যঙ্গাত্মক সমালোচনা।

ঙ) অন্যান্য ৰচনাৰ মাজত গৌণৰূপত বৈষ্ণৱ ভাব-ভাষা প্ৰসঙ্গৰ উপস্থাপন।

১৯১১ চনত প্ৰকাশ পায় 'শ্ৰীশ্ৰীশঙ্কৰদেৱ' গ্ৰন্থ। গ্ৰন্থখনৰ পাতনিত গ্ৰন্থখন ৰচনাৰ উদ্দেশ্য সম্পৰ্কে বেজবৰুৱাই কৈছে— "শঙ্কৰদেৱৰ জীৱনৰ কিছুমান কথা আলচ কৰি মুকলি কৰিবৰ চেষ্টা কৰা আৰু তেওঁৰ অমূল্য গ্ৰন্থবোৰত থকা ৰচনাৰ সৌন্দৰ্য, ওখ জ্ঞানোপদেশ আৰু শিক্ষা আদিলৈ আঙুলিয়াই দি পাৰিলে সেইবোৰলৈ লোকৰ মনোযোগ আকৰ্ষণ কৰা।" এই গ্ৰন্থখন প্ৰকাশৰ আগলৈকে চৰিত পুথি (বা চৰিত তোলা) পৰম্পৰাৰ বাহিৰে গ্ৰন্থ আকাৰে শঙ্কৰদেৱৰ আধুনিক জীৱনী নাছিল। গ্ৰন্থখনত অতি সংক্ষিপ্তভাৱে শঙ্কৰদেৱৰ জীৱনটো বৰ্ণনা কৰা হৈছে। আকৌ শঙ্কৰদেৱৰ সাহিত্যকৃতিকো আধুনিক সমালোচনাৰ দৃষ্টিৰে আলোচনা কৰা হৈছে। ক'বলৈ গ'লে বেজবৰুৱাৰ এই গ্ৰন্থখনৰ মাজেদিয়েই অসমীয়া ভাষাত পুৰণি সাহিত্য সমালোচনাৰ শুভাৰম্ভ ঘটে।

১৯১৪ চনত প্ৰকাশ হয় মহাপুৰুষ *শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ*। এইখন গ্ৰন্থ আগৰখনতকৈ বহল আৰু বহুবোৰ কথা পূৰ্বৰ *শ্ৰীশ্ৰীশঙ্কৰদেৱ* গ্ৰন্থতকৈ নতুন আৰু বেলেগ। ইয়াৰ কাৰণ এইখন গ্ৰন্থত বেজবৰুৱাই বিভিন্ন চৰিতপুথি, মুখ পৰম্পৰা, বুৰঞ্জী আদিৰ আধাৰত বৈজ্ঞানিক পদ্ধতিৰে ইতিহাস অধ্যয়ন কৰিছে। প্ৰথমখনত বৰ্ণনা কৰা শঙ্কৰদেৱৰ জীৱনী মাত্ৰ *বৰদোৱা চৰিত*ৰ ওপৰত প্ৰতিষ্ঠিত।

এই দুখন গ্ৰন্থৰ উপৰি *জোনাকী, বাঁহী, উষা* আলোচনীত বেজবৰুৱাৰ শঙ্কৰদেৱ-মাধৱদেৱ, তথা অসমৰ বৈষ্ণৱ ধৰ্ম-সংস্কৃতিৰ তত্ত্ব, দৰ্শন, সাহিত্য গুণৰ বিচাৰ-বিশ্লেষণ আৰু ভাৰতীয় বৈষ্ণৱবাদৰ ইতিহাস আদি সম্পৰ্কীয় ভালেমান প্ৰবন্ধ প্ৰকাশ হয়। শ্ৰীকৃষ্ণৰ মাহাত্ম্য আৰু নামধৰ্মৰ প্ৰাধান্য স্থাপন বেজবৰুৱাৰ ৰচনাৰ দুটা প্ৰধান বিষয়। আনহাতে ভক্তি তত্ত্বমূলক কথাবোৰ সৰ্বসাধাৰণেও পঢ়ি আনন্দ পাব পৰাকৈ প্ৰাঞ্জল ভাষাৰে বিশ্লেষণ কৰি শঙ্কৰদেৱে আন্দোলনটো জনচিত্তৰ শ্ৰদ্ধা-ভক্তিৰ বিষয়ৰ পৰা প্ৰিয় বিষয়লৈ আৰু তত্ত্বৰ বিষয়ৰ পৰা ৰসৰ বিষয়লৈ পৰিণত কৰিব পাৰিছিল।

**আত্মমূল্যায়ন ঃ**

১। বেজবৰুৱাৰ শংকৰদেৱ চৰ্চাৰ দিশসমূহ লিখক।

.......................................................................................................

.......................................................................................................

২। *শ্ৰীশ্ৰীশঙ্কৰদেৱ* গ্ৰন্থৰ মূল কি আছিল?

.......................................................................................................

.......................................................................................................

৩। *শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ* গ্ৰন্থৰ মূল কি আছিল?

.......................................................................................................

.......................................................................................................

## ২.৪.৩ "তান্তীকুচি ৰাজ্যচৰ্চা" পাঠটোৰ আলোচনা

### ২.৪.৩.১ পাঠটোৰ বিষয়বস্তু

তান্তীকুচিত ৰাজ্যচৰ্চা

"তান্তীকুচিত ৰাজ্যচৰ্চা" বেজবৰুৱাৰ *মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ* গ্ৰন্থখনৰ ষোড়শ সংখ্যক অধ্যায়।

পাঠটোৰ শিৰোনামটো তাৎপৰ্যপূৰ্ণ। বৰপেটা অঞ্চলৰ তাঁতীকুচিয়েই প্ৰাচীন তান্তীকুচি। 'ৰাজ্যচৰ্চা' কৰে ৰজাই। শঙ্কৰদেৱ কোনো শাসক নাছিল, তেন্তে 'ৰাজ্যচৰ্চা' কিয়? নৰনাৰায়ণ ৰজাই শঙ্কৰদেৱক তাঁতীকুচি অঞ্চলটোৰ শাসক পাতিছিল; কিন্তু শঙ্কৰদেৱে ৰাজকীয়-প্ৰশাসনিক অৰ্থত শাসন কৰা নাছিল। বৰং তেওঁ যিখন ধৰ্মীয় ৰাজ্য নতুন প্ৰমূল্যবোধেৰে নিৰ্মাণ কৰিছিল, সেই ধৰ্মৰাজ্যহে কিছুদিনৰ বাবে 'শাসন' কৰিছিল। অৰ্থাৎ ৰজাৰ অনুগ্ৰহ লাভ কৰা কথাটোৱে শঙ্কৰদেৱক তাঁতীকুচিত ধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰত সহায় কৰিছিল।

পাঠটিত শঙ্কৰদেৱ পাটবাউসীত থাকোঁতে (মাধৱদেৱ তেতিয়া পাটবাউসীৰ ওচৰৰে গণককুচিত থাকে) বেহাৰৰ ৰজা নৰনাৰায়ণৰ সান্নিধ্য লাভ, বৃন্দাবনী বস্ত্ৰ নিৰ্মাণ, মাধৱদেৱৰ দ্বাৰা *জন্মৰহস্য* পুথি ৰচনা আদি ঘটনা বৰ্ণিত হৈছে।

ৰামৰায় আছিল শঙ্কৰদেৱৰ সম্বন্ধীয় ভায়েক। ৰামৰায়ৰ জীয়ৰী ভুৱনেশ্বৰীক বিয়া কৰাইছিল কোচ ৰজা নৰনাৰায়ণৰ পৰাক্ৰমী ভাতৃ চিলাৰায়ে (শুক্লধ্বজ)। এই ভুৱনেশ্বৰীৰ কণ্ঠতে শঙ্কৰদেৱৰ বৰগীত শুনি চিলাৰায়ে শঙ্কৰদেৱক লগ পাব বিচাৰিলে আৰু তেওঁক সন্মানসহকাৰে পাটবাউসীৰ পৰা লৈ গ'ল। চিলাৰায়ৰ জৰিয়তে শঙ্কৰদেৱৰ লগত নৰনাৰায়ণৰ সাক্ষাৎ হয়। শঙ্কৰদেৱৰ ব্যক্তিত্বই নৰনায়াৰণক মুগ্ধ কৰে। শঙ্কৰদেৱৰ জ্ঞান-প্ৰজ্ঞা আৰু ব্যক্তিত্বত মোহিত হৈ নৰনাৰায়ণে কৃষ্ণলীলা দৃশ্যমান ৰূপত চাবলৈ আশা কৰিলে। শঙ্কৰদেৱে সন্মতি জনোৱাত ৰজাই তেওঁৰ ৰাজ্যৰ এক অংশ তাঁতীকুচি অঞ্চলৰ ওপৰত শঙ্কৰদেৱক কৰ্তৃত্ব প্ৰদান কৰিলে। শঙ্কৰদেৱে তাঁতীকুচিৰ (তাঁতী - তাঁত বৈ কাপোৰ তৈয়াৰ কৰা বৃত্তিয়াল লোকৰ অঞ্চল) তাঁতীসকলক শিকাই-বুজাই বৈকুণ্ঠৰ বিৰৰণ গকুল-মথুৰা বৃন্দাবনৰ কৃষ্ণলীলা আদি সূতাৰে বোৱাই পট প্ৰস্তুত কৰি ৰজাৰ হাতত অৰ্পণ কৰিলেহি। ৰাজসভাত পটখন দেখি ৰজা মুগ্ধ হ'ল। কিন্তু শঙ্কৰদেৱৰ নৱবৈষ্ণৱ ধৰ্মৰ সৰল-গণতান্ত্ৰিক আদৰ্শই যিসকল উচ্চবৰ্ণৰ স্বাৰ্থত আঘাত কৰিছিল সেইসকলৰে একাংশই ৰাজসভাত সেই পটখনত নানা ভুল উলিয়াই তৰ্ক কৰিলে। কিন্তু শঙ্কৰদেৱক জিনিব নোৱাৰিলে।

'বৃন্দাবনী বস্ত্ৰ' বোৱাই থাকোঁতে মাধৱদেৱৰ দক্ষতাৰ প্ৰমাণ পাই শঙ্কৰদেৱে মাধৱদেৱক 'বঢ়াৰ-পো' নাম দিছিল। এই প্ৰসংগতে মাধৱদেৱৰ গুৰু ভটিমা (জয় গুৰু শঙ্কৰ/সৰ্বগুণাকৰ)টিৰ ৰচনাৰ পটভূমি দাঙি ধৰা হৈছে।

ৰজাৰ ওচৰত শঙ্কৰদেৱৰ মহত্ত্ব স্বীকৃত হোৱাত ভতিজী ভুৱনেশ্বৰী অতিশয় আ্দিত হৈ পৰিল। তেওঁ বৰদেউতাক শঙ্কৰদেৱক এখন শাস্ত্ৰ ৰচনা কৰি দিবলৈ অনুৰোধ জনালে। শঙ্কৰদেৱে এই ভাৰ মাধৱদেৱক দিলে। ফলত মাধৱদেৱৰ কাপৰ পৰা সৃষ্টি হ'ল *জন্ম ৰহস্য* নামৰ ভক্তি কাব্যখনৰ। এয়াই পাঠটোৰ বিষয়বস্তুৰ আভাস।

**আত্মমূল্যায়নঃ**

১। তান্তীকুচিত শংকৰদেৱে ৰাজ্যচৰ্চা ককৰা বুলি কিয় কোৱা হৈছিল?

..............................................................................................

..............................................................................................

২। চিলাৰায় আৰু শংকৰদেৱৰ পাৰিবাৰিক সম্পৰ্কৰ সবিশেষ লিখক?

..............................................................................................

..............................................................................................

৩। তান্তীকুচিত শংকৰদেৱৰ দ্বাৰা সম্পাদিত গুৰুত্বপূৰ্ণ কামটো কি আছিল?

..............................................................................................

..............................................................................................

### ২.৪.৩.১ আলোচনা

এই পাঠটোত শঙ্কৰদেৱৰ জীৱনকেন্দ্ৰিক কেইবাটাও গুৰুত্বপূৰ্ণ কথাই স্থান পাইছে। প্ৰথম কথা, শঙ্কৰদেৱৰ বৰগীতবোৰৰ জনচিত্ত আকৰ্ষণকাৰী গুণ। বাণীকান্ত কাকতিয়ে এষাৰ কথা কৈছিল— "পাখি লগা কাঁড়ৰ দৰে শঙ্কৰ আৰু মাধৱদেৱৰ গীতবোৰ উৰি য'তে পৰিছিল ত'তেই নৱ আধ্যাত্মিক ভাবৰ গুটি সিঁচিছিল।" এই পাঠটোতো আমি দেখিছোঁ ভুৱনেশ্বৰীৰ মুখত শঙ্কৰদেৱৰ গীত শুনি তৎকালীন নামনি অসমৰ সকলোতকৈ প্ৰভাৱশালী-ক্ষমতাশালী ব্যক্তি চিলাৰায় শঙ্কৰদেৱৰ প্ৰতি আকৰ্ষিত হয়। নৰনাৰায়ণ চিলাৰায়ৰ সান্নিধ্য আৰু শ্ৰদ্ধা পোৱা কথাটো সেই সময়ত শঙ্কৰদেৱৰ বাবে তথা সমগ্ৰ বৈষ্ণৱ ভক্তিধাৰাটোৰ বাবেই তাৎপৰ্যপূৰ্ণ কথা। ৰজাৰ আদৰ লাভ কৰিব পৰাৰ বাবেই শঙ্কৰদেৱৰ শেষ জীৱনটো আগৰছোৱাৰ তুলনাত যথেষ্ট নিৰাপদে পাৰ হৈছিল আৰু একাণপতীয়াকৈ সৃষ্টিশীল কামত লাগিব পাৰিছিল।

দ্বিতীয়তে, 'বৃন্দাবনী বস্ত্ৰ'ৰ সৃষ্টি বৃত্তান্ত। এই বৃন্দাবনী বস্ত্ৰ আমাৰ জাতীয় ঐতিহ্যৰ এটি মহৎ সম্পদ। বৰ্তমান লণ্ডনৰ ব্ৰিটিছ মিউজিয়ামত সংৰক্ষিত হৈ আছে আমাৰ এইবিধ সম্পদ। এই বস্ত্ৰ প্ৰস্তুতৰ মাজত অসমীয়া বয়ন শিল্পৰ মহত্ত্ব, অসমীয়া শিল্পীৰ দক্ষতা আৰু থলুৱা সূতাৰ মানৰ প্ৰসংগও বিবেচনালৈ আহে। আনহাতে, ধৰ্মপ্ৰচাৰক, সংস্কাৰক, সুকুমাৰ কলাৰ নিপুণ ৰসিক শঙ্কৰদেৱৰ কাৰিকৰী দক্ষতা আৰু অবিস্মৰণীয় সৃষ্টিশীলতাৰ কথা ভাবি শ্ৰদ্ধাত আমাৰ শিৰ নত হৈ পৰে। এইখন কাপোৰত ভিন্নৰঙী সূতাৰে কি কি তুলিলে? কৃষ্ণ জন্ম হোৱা সূতিকা-গৃহ, বসুদেৱে কৃষ্ণক লৈ যোৱা, যমুনা নৈ পাৰ কৰোঁৱা, নন্দৰ ঘৰত কৃষ্ণ ডাঙৰ হোৱা, পুতনা বধ, শকট ভঞ্জন, চক্ৰবাত বধ, যশোদাৰ সৈতে কৃষ্ণৰ নানা দুষ্টামি, অৰ্জুন ভঞ্জন, বন ভোজ, বনাগ্নি পান, ধেনুকাসুৰ বধ, কালিয় দমন, গোপীৰ বস্ত্ৰ হৰণ, বিপ্ৰ পত্নীসকলৰ প্ৰসাদ লাভ, গোবৰ্ধন ধাৰণ, ইন্দ্ৰৰ দৰ্প চূৰ্ণ কৰি বৃষ্টি নিবাৰণ, শঙ্খচূড় বধ আৰু গোপী উদ্ধাৰ, প্ৰলম্ব বধ, অক্ৰূৰৰ দ্বাৰা কৃষ্ণক মথুৰালৈ নিয়া, কুঁজীক অনুগ্ৰহ দান, কুবলয় হস্তী বধ, চানুৰ মুষ্টিকক নিধন, কংসবধ আদি ভাগৱত আধাৰিত বিচিত্ৰ কাহিনীক নিপুণভাৱে বৈ তুলি ধৰা হৈছিল।

তৃতীয়তে সাধাৰণ মানুহৰ মাজতো শঙ্কৰদেৱৰ জীৱনকালতে কীৰ্তনৰ পদবোৰ যিদৰে জনপ্ৰিয় হৈছিল, তাঁতীকুচি ৰাজ্যখণ্ডত শঙ্কৰদেৱৰ ধৰ্ম যিদৰে বহুল প্ৰচাৰিত হৈছিল তাৰো আভাস পাঠটিৰ পৰা আমি পাব পাৰোঁ। পাটবাউসীৰ পৰা তাঁতীকুচিলৈ নিতৌ অহা-যোৱা কৰোঁতে শঙ্কৰদেৱে শুনিবলৈ পালে ভীম বায়নৰ পত্নীয়ে সৰ্‌সৰ্‌কৰে কীৰ্তনৰ পদ গাইছে। আপ্লুত হৈ শঙ্কৰদেৱে নাও ৰাখি সেই পদ শুনে। চৰিত সাহিত্যত আছে ভীম বায়নৰ পত্নীগৰাকী আছিল কুঁজী, মানে কঁকাল পৰা মানুহ। শঙ্কৰদেৱৰ কৃপাত তেওঁ সুস্থ হৈ উঠিল।

চতুৰ্থতে মনকৰিবলগীয়া শঙ্কৰদেৱৰ ছত্ৰছায়াত তেওঁৰ ভকতসকলৰ মাজত সৃষ্টিশীল প্ৰতিযোগিতা হৈছিল। এনে সৃষ্টিশীল অনুশীলনৰ ফলতে অসমীয়া বৈষ্ণৱ সাহিত্যৰ বিশাল ভাণ্ডাৰ আমি পাইছোঁ। তাঁতীকুচিত তাঁত ব'বলৈ যাওঁতে নাৱতে শঙ্কৰদেৱে নাৰায়ণ দাস আৰু মাধৱদেৱক কবিতা লিখিবলৈ উৎসাহিত কৰিছিল। তাৰ ফলতে নাৰায়ণ দাস ঠাকুৰ আতাৰ পৰা এটা তোটয় আৰু মাধৱদেৱৰ পৰা বিখ্যাত 'গুৰুভটিমা' পোৱা গ'ল।

পঞ্চমতে আজীৱন একাংশ বৰ্ণহিন্দুৰ পৰা প্ৰতিবন্ধকতা আনকি বিপদৰ মুখামুখি হ'বলগীয়া হোৱাৰ পাছতো শঙ্কৰদেৱ কোনো সম্প্ৰদায়ৰ প্ৰতি বিদ্বেষী হৈ পৰা নাছিল। ব্ৰাহ্মণ ৰামৰাম গুৰুৰ পদস্পৰ্শ হোৱাৰ বাবে তেওঁ নাৱৰ পানী সিঁচাইহে নাৱত উঠিছিল। ৰাজসভাৰ ব্ৰাহ্মণসকলে কেৱল ঈৰ্ষাপৰায়ণ হৈ বা বিদ্বেষভাৱেৰে শঙ্কৰদেৱৰ পটখনৰ ভুল ধৰিছিল। শঙ্কৰদেৱে যুক্তি আৰু শাস্ত্ৰীয় তথ্যৰে সেইবোৰ কথা গুৰুত্বহীন কৰি তুলিছিল। প্ৰকৃত পাণ্ডিত্য অহংকাৰহীন জ্ঞানচৰ্চা, যুক্তি আৰু তথ্যৰ বিশ্লেষণৰ মাজতহে থাকে, কোনো জাতি, পদবী বা আন কথাত নাথাকে। পাঠটোৰ পৰা আমি এইখিনি কথাও জানিব পাৰোঁ।

ষষ্ঠতে পাঠটোত মাধৱদেৱৰ প্ৰতিভা আৰু দক্ষতাৰো পৰিচয় পোৱা যায়। ইমান এখন প্ৰকাণ্ড কাপোৰত সূতাৰে চিত্ৰ তুলিবলৈ যাওঁতে শঙ্কৰদেৱে প্ৰতিদিনে এবেগেতহে বোৱাব পাৰে। মাধৱদেৱে কিন্তু শঙ্কৰদেৱতকৈ এক আঙুল বেছি বোৱাব পাৰিলে। ইয়াৰ দ্বাৰা শঙ্কৰদেৱ ঈৰ্ষান্বিত নহ'ল, বৰং মাধৱদেৱক উৎসাহিত কৰি 'বঢ়াৰ পো' নাম দিলে। সেইজন মাধৱদেৱে শঙ্কৰদেৱৰ নিৰ্দেশত ভুৱনেশ্বৰীৰ

বাবে *জন্ম ৰহস্য* পুথি ৰচনা কৰিলে। সেই পুথি পুনৰ শঙ্কৰদেৱৰ নিৰ্দেশত বাহুল্য আঁতৰাই ৭০০ পদৰ পৰা ৩০০ পদলৈ চমু কৰিলে। পুনৰ শঙ্কৰদেৱে প্ৰশংসাৰে প্ৰিয় শিষ্য মাধৱদেৱক উৎসাহিত কৰিলে— "তুমি বঢ়াক টুটাব পাৰা, টুটাক বঢ়াব পাৰা। মই কিন্তু বঢ়াবহে পাৰোঁ।"

তান্তীকুচিত ৰাজ্যচৰ্চা

**আত্মমূল্যায়ন ঃ**

১। চিলাৰায় শংকৰদেৱৰ প্ৰতি কেনেকৈ আকৰ্ষিত হৈছিল?

..............................................................................................

..............................................................................................

২। বৃন্দাবনী বস্ত্ৰত কি কি ছবি প্ৰকাশ কৰা হৈছিল ?

..............................................................................................

..............................................................................................

৩। মাধৱদেৱক কিয় শংকৰদেৱে বঢ়াৰ পো বুলি কৈছিল?

..............................................................................................

..............................................................................................

৪। শংকৰদেৱৰ অহংকাৰহীন জ্ঞানচৰ্চাৰ উদাহৰণ কিদৰে পোৱা যায় লিখক?

..............................................................................................

..............................................................................................

## ২.৪.৪ শব্দটোকা

| | | |
|---|---|---|
| ছোটৰাজা | ঃ | ছোট মানে সৰু, কনিষ্ঠ। পাঠত ছোটৰাজা শব্দই নৰনাৰায়ণৰ ভায়েক চিলাৰায়ক বুজাইছে। নৰনাৰায়ণ ৰজা আছিল যদিও কোচৰাজ্যৰ শক্তি-সামৰ্থ্য বৃদ্ধিত বীৰ চিলাৰায়ৰ ভূমিকা আছিল তাৎপৰ্যপূৰ্ণ। |
| নাৰায়ণ ঠাকুৰ | ঃ | এসময়ত নামনিৰ পৰা উজনিলৈ বণিজ কৰি ফুৰা বৰপেটা অঞ্চলৰ ধনবান লোক আছিল। বণিজ কৰি ফুৰোঁতেই শংকৰদেৱক লগ পাই শংকৰদেৱৰ শিষ্যত্ব গ্ৰহণ কৰি পৰৱৰ্তী সময়ত নৱবৈষ্ণৱ ধৰ্মৰ এজন প্ৰধান ভক্ত হৈ পৰে। |
| ৰামৰায় | ঃ | শংকৰদেৱৰ ভায়েক, খুৰাকৰ পুতেক। ৰামৰায়ৰ জীয়ৰী ভুৱনেশ্বৰীক চিলাৰায়ে বিয়া কৰাইছিল। |
| টোটয় | ঃ | প্ৰতি শাৰীত বাৰটাকৈ আখৰ থকা এবিধ ছন্দ আৰু সেই ছন্দত ৰচিত পুৰণি কবিতা বিশেষ। |
| সৰ্বগুণাকৰ | ঃ | সৰ্ব-গুণ-আকৰ; সকলো গুণেৰে পৰিপূৰ্ণ। |
| শাস্ত্ৰালাপ | ঃ | শাস্ত্ৰ-আলাপ; শাস্ত্ৰৰ বিষয়ক লৈ কৰা আলোচনা। |

## ২.৪.৫ অনুশীলন

### ২.৪.৫.১ বোধজ্ঞান অনুশীলন

১) এটা বাক্যত উত্তৰ লিখক—

ক) বেজবৰুৱাৰ জন্ম কোন চনত?

..............................................................................................

..............................................................................................

খ) বেজবৰুৱাৰ দেউতাকৰ নাম কি আছিল?

..............................................................................................

..............................................................................................

গ) বেজবৰুৱাৰ দেউতাক কোন সত্ৰৰ শিষ্য আছিল?

.................................................................................................................

.................................................................................................................

ঘ) ‘তান্তীকুচিত ৰাজ্যচৰ্চা’ পাঠটো বেজবৰুৱাৰ কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে?

.................................................................................................................

.................................................................................................................

ঙ) তান্তীকুচি বৰ্তমান কোন জিলাত?

.................................................................................................................

.................................................................................................................

চ) ‘মহাপুৰুষ শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধৱদেৱ’ গ্ৰন্থখন কেতিয়া প্ৰকাশ পাইছিল?

.................................................................................................................

.................................................................................................................

ছ) ‘জোনাকী’ আলোচনী প্ৰথম কেতিয়া প্ৰকাশ হৈছিল?

.................................................................................................................

.................................................................................................................

জ) ‘কৃপাবৰ বৰুৱা’ ছদ্মনামেৰে বেজবৰুৱাই লিখা ৰচনাবোৰ কোন শ্ৰেণীৰ ৰচনা?

.................................................................................................................

.................................................................................................................

ঝ) বেজবৰুৱাই সম্পাদনা কৰা আলোচনীখন কি?

.................................................................................................................

.................................................................................................................

ঞ) কোন ৰজাৰ অনুৰোধত শংকৰদেৱে বৃন্দাবনী বস্ত্ৰ প্ৰস্তুত কৰিছিল?

.................................................................................................................

.................................................................................................................

ট) ভুৱনেশ্বৰী কোন আছিল?

.................................................................................................................

.................................................................................................................

২) দুটা-তিনিটামান বাক্যত উত্তৰ লিখক

ক) শংকৰদেৱক কোনে কিয় কোচবেহাৰলৈ লৈ গৈছিল?

.................................................................................................................

.................................................................................................................

.................................................................................................................

খ) চিলাৰায়ে কি পটভূমিত শংকৰদেৱক প্ৰথম লগ পাবলৈ আগ্ৰহী হৈছিল?

.................................................................................................................

.................................................................................................................

.................................................................................................................

গ) নৰনাৰায়ণে কিয় শংকৰদেৱক তাঁতীকুচি অঞ্চলৰ কৰ্তৃত্ব প্ৰদান কৰিছিল?

.................................................................................................................

.................................................................................................................

.................................................................................................................

ঘ) বৃন্দাবনী বস্ত্ৰ কিয় প্ৰস্তুত কৰিবলগীয়া হৈছিল?

....................................................................................................

....................................................................................................

....................................................................................................



ঙ) কোনে কাক কিয় 'বঢ়াৰ পো' নাম দিছিল?

....................................................................................................

....................................................................................................

....................................................................................................

চ) 'জন্ম ৰহস্য' কাৰ ৰচনা? এই পুথিখন ৰচনাৰ আঁৰৰ কথা চমুকৈ লিখক।

....................................................................................................

....................................................................................................

....................................................................................................

### ২.৪.৫.২ বৈয়াকৰণিক অনুশীলন

১) একে অৰ্থবাচক শব্দক সমাৰ্থক শব্দ বোলে। পাঠটোত থকা কিছুমান শব্দ হ'ল-- শুৰলা, জ্যেষ্ঠ, ভাৰ্যা, সম্ভ্ৰম, সমাদৰ, সন্তোষ, সমাজিক, বিস্ময়। এই শব্দসমূহৰ সমাৰ্থক শব্দ লিখক।

২) পাঠটোত ভালেকেইটা স্ত্ৰীলিংগবাচক শব্দ আছে; যেনে, কুঁজী, জীয়েক, পত্নী, তিৰোতা, ঘৈণীয়েক, গোপী, ভাৰ্যা। এইবোৰৰ কেইবাটাও আকৌ সম্বন্ধবাচক শব্দ। যেনে— জীয়েক, পত্নী, ঘৈণীয়েক, ভাৰ্যা। কিছুমান শব্দ স্বাভাৱিকতে স্ত্ৰীলিংগবাচক শব্দ, যেনে— পত্নী, জী, ঘৈণী, ভাৰ্যা। কিছুমান শব্দৰ ক্ষেত্ৰত আকৌ পুংলিংগবাচক শব্দৰ পাছত স্ত্ৰীলিংগবাচক প্ৰত্যয় সংযোগ কৰি স্ত্ৰীলিংগবাচক শব্দ সজা হয়, যেনে— গোপ-ঈ গোপী; কলিতা-নী কলিতানী। এতিয়া পাঠত থকা পুংলিংগবাচক শব্দসমূহ বাচি উলিৱাওক।

৩) মাত-কথা, দিন-ৰাতি, অহা-যোৱা, হাতে-বোৱা, আদি অসমীয়া ভাষাৰ কিছুমান সংযুক্ত শব্দ। এটাতকৈ অধিক শব্দ মিলি এটা সুকীয়া অৰ্থ প্ৰকাশ কৰা শব্দবোৰেই সংযুক্ত শব্দ। পাঠত থকা সংযুক্ত শব্দবোৰ বাচি উলিয়াওক।

৪) পাঠটোত বিভিন্ন ধৰণৰ অসমাপিকা ক্ৰিয়াবোৰ চিনাক্ত কৰিবলৈ চেষ্টা কৰক।

### ২.৪.৫.৩ পঠন অনুশীলন

ক) পাঠটো পঢ়ক আৰু ভাল লগা অংশটো চিনাক্ত কৰক।

খ) পাঠটোত পোৱা নতুন শব্দবোৰ বিচাৰি উলিয়াই মনত ৰাখক।

গ) আপুনি ব্যৱহাৰ নকৰা বা আগতে নোপোৱাধৰণৰ বাক্য কোনকেইটা পাইছে চিহ্নিত কৰক।

ঘ) পাঠভিত্তিক আলোচনাখিনি মন দি পঢ়ক আৰু পাঠটোৰ তাৎপৰ্য বুজাৰ যত্ন কৰক।

### ২.৪.৫.৪ লিখন অনুশীলন

ক) পাটবাউসীৰ পৰা শংকৰদেৱে কি পৰিস্থিতিত কোচবেহাৰৰ নৰনাৰায়ণ ৰজাৰ ওচৰ পালেগৈ আলোচনা কৰক।

....................................................................................................

....................................................................................................

খ) বৃন্দাবনী বস্ত্ৰ কিদৰে প্ৰস্তুত কৰিছিল সামগ্ৰিক কথাখিনি নিজৰ ভাষাত লিখক।

....................................................................................................

....................................................................................................

গ) বৃন্দাবনী বস্ত্ৰ প্ৰস্তুত কৰি ৰাজসভাত দেখুওৱাৰ পাছত কোনে কোনে কি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল, আলোচনা কৰক।

....................................................................................................

....................................................................................................

## ২.৪.৬ উত্তৰ সংকেত



১। ভুৱনেশ্বৰী আছিল শঙ্কৰদেৰৰ ভতিজী। ভুৱনেশ্বৰীয়ে শঙ্কৰদেৰৰ গীত গাইছিল। ... চিলাৰায়ে গীত শুনি মুগ্ধ হয়। ...শঙ্কৰদেৰক সন্মানেৰে লৈ আনে। নৰনাৰায়ণৰ ওচৰলৈ লৈ যায়।

২। শঙ্কৰদেৰৰ লগত চিলাৰায়ৰ জৰিয়তে নৰনাৰায়ণৰ সাক্ষাৎ। নৰনাৰায়ণৰ ভগৱানলীলা দৰ্শনৰ আগ্ৰহ। শঙ্কৰদেৰৰ সন্মতি। শঙ্কৰদেৰক তাঁতীকুচি ৰাজ্যখণ্ডৰ অধিকাৰ প্ৰদান।

**বোধজ্ঞান অনুশীলনত দিয়া প্ৰশ্নবোৰৰ উত্তৰসমূহ মিলাই চাওক।**

১)ক) ১৮৬৪চনত।

খ) দীননাথ বেজবৰুৱা।

গ) কমলাবাৰী সত্ৰৰ।

ঘ) 'মহাপুৰুষ শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধৱদেৱ' গ্ৰন্থৰ পৰা।

ঙ) বৰপেটা জিলাত।

চ) ১৯১৪ চনত।

ছ) ১৮৮৯চনত।

জ) হাস্যব্যংগাত্মক।

ঝ) 'বাঁহী'।

ঞ) কোচৰজা নৰনাৰায়ণ।

ট) চিলাৰায়ৰ পত্নী তথা শংকৰদেৱৰ ভতিজী।

২) ক) চিলাৰায়ে নিজৰ পত্নী ভুৱনেশ্বৰীৰ কণ্ঠত শংকৰদেৱৰ বৰগীত শুনি আপ্লুত হৈ পৰিছিল আৰু শংকৰদেৱক লগ পাবলৈ ইচ্ছা কৰিছিল। সেয়ে তেওঁ মানুহ পঠিয়াই পাটবাউসীৰ পৰা শংকৰদেৱক সসন্মানেৰে কোচবেহাৰলৈ লৈ গৈছিল।

খ) চিলাৰায়ৰ পত্নী ভুৱনেশ্বৰী হ'ল সম্বন্ধত শংকৰদেৱৰ ভতিজী। এই ভুৱনেশ্বৰীয়ে এদিন হাতত মন্দিৰা লৈ শংকৰদেৱে ৰচনা কৰা গীত এটি শুৱলা কণ্ঠেৰে গাই আছিল। চিলাৰায়ে শুনি বৰ ভাল পালে আৰু কাৰ গীত সুধিলে। ভুৱনেশ্বৰীয়ে ক'লে যে পৰম বৈষ্ণৱ শংকৰদেৱৰ। পত্নীৰ কথাত চিলাৰায়ে শংকৰদেৱক লগ পাবলৈ আগ্ৰহী হৈ পৰিছিল।

গ)চিলাৰায়ৰ মুখে শংকৰদেৱৰ গুণ-গৰিমা আৰু ব্যক্তিত্বৰ কথা শুনি নৰনাৰায়ণে শংকৰদেৱক লগ পাবলৈ বিচাৰিলে। চিলাৰায়ে শংকৰদেৱক ৰজাৰ ওচৰলৈ লৈ গ'ল। নৰনাৰায়ণ নিজেও অধ্যয়নশীল বিদ্বান ব্যক্তি আছিল। সেয়ে তেওঁ শংকৰদেৱৰ লগত ধৰ্ম আৰু কৃষ্ণলীলা বিষয়ক কথা আলোচনা কৰিলে আৰু শংকৰদেৱৰ জ্ঞান আৰু ব্যক্তিত্বত মুগ্ধ হৈ পৰিল। তেতিয়া তেওঁ ক'লে যে তেওঁলোকে বৃন্দাবনখনৰ ছবি পটত চাবলৈ পালে বৰ সুখী হ'ব। শংকৰদেৱে চাৰি মাহত সেই কাম কৰিব পৰা যাব বুলি জনাই ৰজাক বিভিন্ন ৰঙৰ সূতাৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনালে। নৰনাৰায়ণ ৰজা এই কথাত সন্তুষ্ট হৈ শংকৰদেৱক তাঁতীকুচি অঞ্চলৰ কৰ্তৃত্ব প্ৰদান কৰিলে। কাৰণ, পটত বৃন্দাবনৰ চিত্ৰ আঁকিবলৈ পাকৈত তাঁতী লাগিব। তাঁতীকুচি অঞ্চলটোৰ নামৰ পৰাই বুজিব পাৰি যে তাৰ বাসিন্দাসকলে তাঁত বৈয়েই জীৱন নিৰ্বাহ কৰিছিল। সেয়ে বৃন্দাৱনী বস্ত্ৰ প্ৰস্তুত কাৰ্য সহজ হ'বলৈ আৰু শংকৰদেৱৰ প্ৰতি ৰাজ-অনুগ্ৰহ প্ৰদানৰ বাবে শংকৰদেৱক তাঁতীকুচি অঞ্চলৰ কৰ্তৃত্ব প্ৰদান কৰিছিল।

ঘ) -(গ) নং প্ৰশ্নৰ উত্তৰ মন দি চালেই এই প্ৰশ্নৰ উত্তৰ কৰিব পাৰিব।

ঙ) শংকৰদেৱে মাধৱদেৱক বঢ়াৰ পো নাম দিছিল।

নৰনাৰায়ণ-চিলাৰায়ৰ আগ্ৰহ আৰু অনুৰোধত শংকৰদেৱে তাঁতীকুচিৰ তাঁতীসকলৰ সহায়ত বৃন্দাৱনী বস্ত্ৰ প্ৰস্তুতৰ কামত একাণপতীয়াকৈ লাগি আছিল। এদিন শংকৰদেৱে নিজে নগৈ

তাঁত বোৱা কামলৈ মাধৱদেৱক পঠালে। সেইদিনা ব্ৰহ্মামোহন লীলা বোওৱা হৈছিল। আনদিনা শংকৰদেৱে এবেগেতকৈহে বোৱাব পাৰিছিল; সেইদিনা মাধৱদেৱে এবেগেত চাৰি আঙুল বোৱালে। ঘূৰি গৈ মাধৱদেৱে এই কথা কোৱাত শংকৰদেৱে প্ৰশংসা কৰি ক'লে, মাধৱ তুমি মই বোওৱাতকৈ বঢ়াই বোৱালা, এইবাবে আজিৰপৰা তোমাৰ নাম বঢ়াৰ পো দিলো।

এনেদৰেই মাধৱদেৱৰ নাম বঢ়াৰ পো হ'ল।

চ) 'জন্ম ৰহস্য' মাধৱদেৱৰ ৰচনা।

বৃন্দাবনী বস্ত্ৰ প্ৰস্তুত কৰি শংকৰদেৱে ৰজাৰ পৰা যথেষ্ট মান- সন্মান লাভ কৰা দেখি ভতিজী ভুৱনেশ্বৰী আৰু তেওঁৰ স্বামী চিলাৰায় অতিশয় আনন্দিত হ'ল। ভুৱনেশ্বৰীয়ে শংকৰদেৱক ঈশ্বৰৰ উৎপত্তি-লীলা- প্ৰলয়ৰ কথা থকা এখনি গ্ৰন্থ ৰচনা কৰি দিবলৈ খাটনি ধৰিলে। শংকৰদেৱে এই কামৰ দায়িত্ব মাধৱদেৱক দিলে। মাধৱদেৱে গুৰুবাক্য মানি প্ৰথমে সাতশ পদত গ্ৰন্থখন ৰচনা কৰিলে। কিন্তু তিৰোতা মানুহে ইমান দীঘল পুথি পঢ়িবলৈ টান পাব বুলি অনুভৱ কৰি শংকৰদেৱে মাধৱদেৱক পুথিখন চমুৱাবলৈ ক'লে। তেতিয়া মাধৱদেৱে তাৰে চাৰিশ পদ কাটি তিনিশ পদত পুথিখন সমাপ্ত কৰিলে। দীঘলীয়া পদক চমুৱাব পৰা এই দক্ষতাৰ বাবে শংকৰদেৱে মাধৱদেৱক প্ৰশংসা কৰিলে আৰু ৰামৰায়ৰ জৰিয়তে পুথিখন ভুৱনেশ্বৰীলৈ পঠিয়াই দিলে।

**উত্তৰ সংকেত (বৈয়াকৰণিক অনুশীলন)**

১) শুৱলা - সুশ্ৰাব্য
জ্যেষ্ঠ - ডাঙৰ, মান্য
ভাৰ্যা - পত্নী
সম্ভ্ৰম - সন্মান, মৰ্যাদা
সমাদৰ - আদৰ
সন্তোষ - সন্তুষ্টি, প্ৰসন্ন
সমাজিক - সপোন
বিস্ময় - আশ্চৰ্য

১) স্বামী, ককায়েক, গোপ, ভায়েক, বৰদেউতা, বাপেক।

৩) ছোটৰজা, গোপ-গোপী, তন্ন-তন্ন, ককায়েক-ভায়েক, স্বামী-স্ত্ৰী, অনুনয়-বিনয়, সূতিকা-গৃহ, নল-খাগৰি, পদ-স্পৰ্শ, সভাঘৰ, গুৰু-বাক্য।

৪) লৈ, হৈ, শুনি, যাবলৈ, শুনাই, জনাই, কৰি, সুধি কলত, সন্তোষ লভি, কৰিলত, মতাই অনাই, লগাই দি, গৈ, চৰ্চ্চি, ধৰি, জগাই, চোৱালত, যাবলৈ ধৰোঁয়ে, উঠিলত, চাই, দি, দেখি, কৰি পেলাই, দিলত।

## ২.৪.৮ অতিৰিক্ত পঠন উপদেশ

১। বেজবৰুৱা সমগ্ৰ (খণ্ড - ৫) সম্পাদনা - ড° সত্যকাম বৰঠাকুৰ, অজয় কুমাৰ ভট্টাচাৰ্য, প্ৰেমানন্দ ন্যাস, যোৰহাট, ২০১৫

২। ড° হীৰেন গোহাঁই - কালান্তৰৰ দোমোজাত বেজবৰুৱা, শান্তিপ্ৰকাশ, গুৱাহাটী, ২০১৩

৩। মহেশ্বৰ নেওগ - অসমীয়া সাহিত্যৰ ৰূপৰেখা, চন্দ্ৰ প্ৰকাশ।